# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-07-2025
**Time :** 18-45 Hrs

***Assamese EVENING Bulletin***

**::::::::::::::::::::::::::::::::**

১। ৰাজ্য চৰকাৰে বানপীড়িত ৰাইজক পাৰ্যমানে সাহায্য আগবঢ়াব বুলি গোলাঘাটৰ বন্যাৰ্তক পৰিদৰ্শনৰ অন্তত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

২। ম্যানমাৰৰ আলফা স্বাধীনৰ শিবিৰত আজি হোৱা আক্ৰমণত সংগঠনটোৰ ৩ জন সদস্য নিহত হোৱাৰ বাতৰি।

৩। বিটিচিৰ সমাগত নিৰ্বাচনৰ বাবে ভোটদাতাৰ তালিকা অসমীয়াৰ লগতে বড়ো ভাষাতো প্ৰকাশ কৰাৰ বাবে এবছুৰ আহ্বান।

৪। গুৱাহাটীৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰত আয়োজিত গুৱাহাটী শিশু মহোৎসৱত আজি সঁফুৰা বৃত্তি প্ৰদান। ***আৰু***

৫। লৰ্ডছ্ টেষ্টৰ আজি চতুৰ্থ দিনা ভোজন বিৰতিলৈকে ইংলেণ্ডৰ দ্বিতীয় ইনিংছত ৪টা উইকেটৰ বিনিময়ত ৯৮ ৰান সংগ্ৰহ।

ooooo

ৰাজ্য চৰকাৰে বানপীড়িত ৰাইজক পাৰ্যমানে সকলো ধৰণৰ সহায় কৰিব বুলি আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰিছে। তেওঁ গোলাঘাট জিলাৰ সৰুপথাৰত উপস্থিত হৈ বান পৰিস্থিতিৰ বুজ লৈ এই কথা প্ৰকাশ কৰে। তেওঁ শিমলুচাপৰি প্ৰাথমিক বিদ্যালয়ত থকা আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি শিশুসকলৰ সৈতে কিছু সময় পাৰ কৰে। তেওঁ বৰপথাৰৰ মিঠা আম চাপৰি, শিমলুচাপৰি পৰিদৰ্শন কৰি নুমলীগড় উচ্চ মাধ্যমিক বিদ্যালয়ৰ বান সাহায্য শিবিৰত থকা বানপীড়িত ৰাইজৰ খবৰ লয়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই বানপীড়িত লোকসকলক সকলো ধৰণৰ সাহায্য প্ৰদান কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে।

**বাইট (চি এম)**

উল্লেখযোগ্য যে নাগালেণ্ডত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত গোলাঘাট জিলাৰ ধনশিৰি নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত জিলাখনৰ ৫টা ৰাজহ চক্ৰৰ বিস্তীৰ্ণ অঞ্চল কেইবাদিনো ধৰি বানৰ কবলত আছে। জিলাখনৰ বিভিন্ন স্থানত মুঠ ৩৩টা সাহায্য শিবিৰ মুকলি কৰি জিলা প্ৰশাসনে বানপীড়িত লোকসকললৈ সহায়ৰ হাত আগবঢ়াইছে। মৰঙি ৰাজহ চক্ৰৰ অধীনৰ মুঠ ২৪ খন গাঁৱৰ প্ৰায় ছহেজাৰ লোক বানৰ কবলত পৰিছে। বোকাখাট ৰাজহ চক্ৰৰ মুঠ ৯ খন গাঁৱৰ ৮ সহস্ৰাধিক লোক বানত ক্ষতিগ্ৰস্ত হৈছে। একেদৰে খুমটাই ৰাজহ চক্ৰৰ অধীনৰ ৩০ খন গাঁও আৰু গোলাঘাট ৰাজহ চক্ৰৰ মুঠ ২৩ খন গাঁৱৰ প্ৰায় দুহেজাৰ লোক এই বানৰ কবলত পৰিছে।

ooooo

ম্যানমাৰৰ আলফা স্বাধীনৰ শিবিৰত আজি হোৱা আক্ৰমণৰ ফলত সংগঠনটোৰ ৩ জন সদস্য নিহত হোৱা বুলি সংগঠনটোৰ সূত্ৰই প্ৰকাশ কৰিছে। সেনা বাহিনীয়ে ম্যানমাৰৰ সেনা বাহিনীৰ সহযোগত সংগঠনটোৰ

শিবিৰত আক্ৰমণ চলোৱা বুলিও প্ৰকাশ কৰা হৈছে। এই আক্ৰমণত নয়ন অসম, গণেশ অসম আৰু প্ৰদীপ অসম নামৰ সদস্য কেইজনৰ মৃত্যু হোৱা বুলি সংগঠনটোৱে প্ৰকাশ কৰিছে। ইপিনে, আমাৰ বজালী জিলাৰ সংবাদদাতাই প্ৰকাশ কৰা মতে সংগঠনটোৰ নিহত সদস্যসকলৰ ভিতৰত নয়ন অসম ওৰফে নয়ন মেধি নামৰ সদস্যজন জিলাখনৰ ডুমুৰীয়াৰ বাসিন্দা আছিল আৰু ১৯৮৯ চনত তেওঁ সংগঠনটোত যোগ দিছিল। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই ঘটনা সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি এই আক্ৰমণৰ সৈতে অসম আৰক্ষী জড়িত নহয় বুলি স্পষ্ট কৰি দিয়ে। তেওঁ লগতে অসমৰ পৰা এই আক্ৰমণ কৰা হোৱা নাই আৰু সেনা বাহিনীৰ তৰফৰ পৰাও এনে ধৰণৰ আক্ৰমণৰ কোনো তথ্য এতিয়ালৈ লাভ কৰা হোৱা নাই বুলিও উল্লেখ কৰে।

বাইট

০০০০

ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান - আই আই টি গুৱাহাটীৰ আজি ২৭ সংখ্যক সমাৱৰ্তন অনুষ্ঠিত হয়। সমাৱৰ্তন অনুষ্ঠানত মুখ্য অতিথি হিচাপে আমেৰিকাৰ ক্লেনচন বিশ্ববিদ্যালয়ৰ বৈদ্যুতিক আৰু কম্পিউটাৰ অভিযন্তা বিভাগৰ দি হাউচাৰ বেংকছৰ অধ্যাপক ডঃ ৰাজেন্দ্ৰ সিং আৰু সন্মানীয় অতিথি হিচাপে ইণ্ডিয়ান নেচনেল একাডেমী অৱ ইঞ্জিনিয়াৰিংছৰ অধ্যক্ষ জে দি পাটিল উপস্থিত থাকে। আই আই টি গুৱাহাটীৰ ড০ ভূপেন হাজৰিকা প্ৰেক্ষাগৃহত আয়োজিত সমাৱৰ্তনত এইবেলি মুঠ ২ হেজাৰ ৯৩ গৰাকী শিক্ষাৰ্থীক ডিগ্ৰী প্ৰদান কৰা হয়। সমাৱৰ্তনত এহেজাৰ ৫ গৰাকীক স্নাতক, ৮১৮ গৰাকীক স্নাতকোত্তৰ আৰু ২৭০ গৰাকীক পি এইচ ডি ডিগ্ৰী প্ৰদান কৰা হয়। স্নাতক আৰু স্নাতকোত্তৰ দুয়োটা শাখাৰ বাবে ৰাষ্ট্ৰপতিৰ স্বৰ্ণ পদক, ড০ শংকৰ দয়াল শৰ্মা স্বৰ্ণ পদক আৰু অসমৰ ৰাজ্যপালৰ স্বৰ্ণ পদককে ধৰি ৪টা স্বৰ্ণ পদক প্ৰদান কৰা হয়।

০০০০০

বিটিচিৰ সমাগত নিৰ্বাচনৰ  বাবে ভোটদাতাৰ তালিকা অসমীয়াৰ লগতে বড়ো ভাষাতো প্ৰকাশ কৰাৰ বাবে সদৌ বড়ো ছাত্ৰ সন্থা-এবছুৱে দাবী উত্থাপন কৰিছে। অসম চৰকাৰী ভাষা সংশোধনী আইন ২০২০ অনুসৰি এই ব্যৱস্থা লবলৈ সংগঠনটোৱে দাবী  জনাইছে। কোকৰাঝাৰ জিলাৰ বডোফা নগৰত আয়োজিত এখন সংবাদমেলত এবছুৰ সভাপতি দীপেন বড়োৱে এই আহ্বান জনায়। তেওঁলোকে বিটিআৰৰ উপৰি বড়ো জনগোষ্ঠীৰ বসতিপ্ৰধান অঞ্চলসমূহৰ চৰকাৰী কাম-কাজৰ বড়ো ভাষা ব্যৱহাৰ কৰাটো নিশ্চিত কৰিবলৈ ৰাজ্য চৰকাৰক আহ্বান জনায়।

বাইট ঃ দীপেন বড়ো

শ্ৰীবড়োৱে কয় যে অসম চৰকাৰী ভাষা সংশোধনী আইন ২০২০ৰ পঞ্চম-ক অংশত বড়ো ভাষাক সহযোগী চৰকাৰী ভাষা হিচাপে স্পষ্ট ৰূপত লিপিবদ্ধ কৰা হৈছে। এই আইন অনুসৰি বড়ো ভাষা-ভাষী লোকৰ বসতিপ্ৰধান অঞ্চলৰ চৰকাৰী কাম-কাজত ভাষাটো ব্যৱহাৰ কৰা উচিত বুলি তেওঁ মন্তব্য কৰে। সংগঠনটোৱে শেহতীয়াকৈ ভাষাটো বিভিন্ন ক্ষেত্ৰত ব্যৱহাৰৰ বাবে চৰকাৰে গ্ৰহণ কৰা ইতিবাচক পদক্ষেপক আদৰণি জনাইছে। অসম ন্যায়িক সেৱাৰ গ্ৰেড থ্ৰিৰ মূল পৰীক্ষাত ৫০ নম্বৰৰ বড়ো ভাষাৰ কাকত আৰু কণিষ্ঠ প্ৰশাসনীয় সহায়ক পদৰ পৰীক্ষাত ২০ নম্বৰৰ বড়ো ভাষাৰ কাকত সংযোজনক লৈ সংগঠনটোৱে সন্তুষ্টি প্ৰকাশ কৰে। সংগঠনটোৰ সদস্যসকলে ৰাজ্য চৰকাৰ আৰু নিৰ্বাচন কৰ্তৃপক্ষক ভাষিক ন্যায় প্ৰদানেৰে ভোটদাতাৰ তালিকা অসমীয়াৰ লগতে বড়ো ভাষাতো প্ৰকাশৰ বাবে দাবী উত্থাপন কৰে।

০০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত গুৱাহাটীৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰত আয়োজিত গুৱাহাটী শিশু মহোৎসৱত আজি সঁফুৰা বৃত্তি প্ৰদান কৰা হয়। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত সঁফুৰা বৃত্তি পৰীক্ষা আৰু সঁফুৰা টেলেণ্ট ডিছক'ভাৰী এনিমেচনত কৃতিত্ব সহকাৰে বৃত্তি লাভ কৰা শিক্ষাৰ্থীসকলক বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত ভাষণ প্ৰসংগত মন্ত্ৰী ডাঃ পেগুৱে কয়, যে শিক্ষাৰ্থীসকলে প্ৰাথমিক পৰ্যায়ৰ পৰাই জ্ঞানৰ ভেটিটো শক্তিশালী ৰূপত গঢ়িব লাগে। এইক্ষেত্ৰত অভিভাৱক আৰু শিক্ষক সমাজে দায়বদ্ধতাৰে কাম কৰা বাঞ্ছনীয় বুলি তেওঁ কয়। ছাত্ৰ-ছাত্ৰীসকলৰ ব্যক্তিত্ব আৰু বৌদ্ধিক বিকাশৰ বাবে কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তুলিবলৈ তেওঁ আহ্বান জনায়। সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি বন্দিতা ফুকনে মোবাইলৰ অপব্যৱহাৰৰ পৰা ছাত্ৰ-ছাত্ৰীসকলক বিৰত থাকিবলৈ আহ্বান জনায়। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সাহিত্যিক, সঁফুৰাৰ মুখ্য সম্পাদক কুলধৰ শইকীয়াই শিক্ষাৰ্থীক উদ্দেশ্যি মনোগ্ৰাহী ভাষণ দিয়ে। এই অনুষ্ঠানত কেইবাজনো বিশিষ্ট ব্যক্তি আৰু শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে এই বৰ্ষত ৪৫ হাজাৰতৈও অধিক ছাত্ৰ-ছাত্ৰীয়ে সঁফুৰা বৃত্তি পৰীক্ষা অৱতীৰ্ণ হৈছে।

ooooo

বৰাক উপত্যকাত তিনিদিনীয়া ভ্ৰমণসূচীৰে উপস্থিত হোৱা ৰাজ্য চৰকাৰৰ মুখ্য সচিব ৰবি কোটাই আজি কাছাৰ জিলাত বিভিন্ন আঁচনিৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। তেওঁ জিলাখনত চলি থকা বিভিন্ন আন্তঃগাঁথনি প্ৰকল্পৰ কাম-কাজ পৰিদৰ্শন কৰে। প্ৰকল্পসমূহৰ কামৰ মান আৰু গতি পৰিদৰ্শন কৰি তেওঁ নিৰ্ধাৰিত সময়ৰ ভিতৰত কাম সম্পূৰ্ণ কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। পৰিদৰ্শনৰ সময়ত তেওঁ ৰাষ্ট্ৰীয় ঘাইপথৰ দলঙৰ মেৰামতিৰ কাম পৰিদৰ্শন কৰাৰ লগতে পাঁচগ্ৰাম কাগজকলৰ স্থান আৰু সম্ভাৱনাৰ বিষয়ে অৱগত হয়। ইয়াৰ লগতে তেওঁ পাঁচগ্ৰামত নিৰ্মীয়মান কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়।

ooooo

ৰাজ্যৰ অন্যান্য প্ৰান্তৰ ধেমাজি জিলাত জাপানীজ এনকেফেলাইটিছৰ প্ৰাদুৰ্ভাৱ অব্যাহত আছে। চিলাপথাৰত এই ৰোগত আক্ৰান্ত হৈ এটি পাঁচবছৰীয়া শিশুৰ মৃত্যু হয়। অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত কেইবাদিন ধৰি চিকিৎসাধীন হৈ থকা অৱস্থাত কালি শিশুটিৰ মৃত্যু ঘটে। জিলাখনত এইপৰ্যন্ত তিনিজন ৰোগীয়ে এই ৰোগত প্ৰাণ হেৰুৱাইছে। স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি জিলাখনত জাপানীজ এনকেফেলাইটিছ সদৃশ ৰোগত ১৯ জন লোক আক্ৰান্ত হৈছে। ইয়াৰে ৭ জনৰ শৰীৰত এই ৰোগৰ উপস্থিতি নিশ্চিত হৈছে। আক্ৰান্তসকলক ধেমাজি অসামৰিক চিকিৎসালয়ত পৰ্যাপ্ত চিকিৎসা প্ৰদান কৰি থকা হৈছে আৰু গুৰুতৰভাৱে আক্ৰান্ত ৰোগীসকলক ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে। জিলা স্বাস্থ্য বিভাগে এই ৰোগৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে ঠায়ে ঠায়ে ফ'গিং কৰাৰ লগতে আঁঠুৰা ঔষধিকৰণ আৰু সজাগতামূলক কাৰ্যমূলক কাৰ্যসূচী গ্ৰহণ কৰিছে।

গোলাঘাট জিলাৰ বৰপথাৰৰ মিৰিগাঁৱতো এটি ছমহীয়া শিশুৰ এই ৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। যোৰহাট চিকিৎসা মহাবিদ্যালয়ত কেইবাদিন ধৰি চিকিৎসাধীন হৈ থকা অৱস্থাত কালি শিশুটিৰ মৃত্যু ঘটে। জাপানীজ এনকেফেলাইটিছ ৰোগত শিশুটিৰ মৃত্যু হোৱাৰ খবৰ পোৱাৰ পাছতেই অঞ্চলটোৰ ৰাইজে স্বাস্থ্য বিভাগৰ এই ৰোগৰ প্ৰতিৰোধৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

ooooo

ৰাজ্যৰ কেইবাখনো জিলাত আজি নেপালী ভাষাৰ যশস্বী কবি সাহিত্যিক, আদিকবিৰূপে বিভূষিত ভানুভক্ত আচাৰ্য্যৰ  জয়ন্তী উদযাপন কৰা হয়। অসম গোৰ্খা সন্মিলনৰ শোণিতপুৰ জিলা সমিতিৰ উদ্যোগত আৰু স্থানীয় শাখা সমিতিৰ সহযোগত আজি ৰৌমাৰী গোৰ্খা ভৱনত এই জয়ন্তী উদ্‌যাপন কৰা হয়।  এই উপলক্ষে আদিকবিগৰাকীৰ জীৱন সম্পৰ্কে আলোকপাত কৰা হয়। এই অনুষ্ঠানতে সদ্যঘোষিত উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সফলতা লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনোৱা হয়। তদুপৰি শিশু আৰু কিশোৰ কিশোৰীসকলৰ মনোমোহা গীত-নৃত্য অনুষ্ঠানে সকলোকে আপ্লুত কৰে। একেদৰে চিৰাং জিলাৰ ভাৰত-ভূটান সীমান্তৰ নিজুলাগুৰিত আজি আদিকবিগৰাকীৰ জয়ন্তী উদ্‌যাপন কৰা হয়। অসম নেপালী সাহিত্য সভাৰ চিৰাং জিলা সমিতিৰ উদ্যোগত, শান্তিপুৰ নিজুলাগুৰি শাখা সমিতি আৰু নিজুলাগুৰি গাওঁ উন্নযন সমিতিৰ সহযোগত এই জয়ন্তী উদ্‌যাপন কৰা হয়। এই উপলক্ষে বন্তি প্ৰ্জলন, কবিগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি,  ভানুভক্ত ৰামায়নৰ আবৃত্তি, স্বৰচিত কবিতা আবৃত্তি প্ৰতিযোগিতা আদি অনুষ্ঠিত হয়। দিনৰ ভাগত আদিকবি ভাণুভক্ত আৰু তেওঁৰ সাহিত্য অৱদান শীৰ্ষক এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। পশ্চিম কাৰ্বি আংলং জিলাতো আজি কবিগৰাকীৰ জয়ন্তী পালন কৰা হয়। এই উপলক্ষে বৈথালাংছ' মাইচাম নেপালী বস্তিত অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰভাত চন্দ্ৰ টাৰো মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

ooooo

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰী যান-বাহন আৰক্ষীয়ে এন এছ্ এছ্ কৰ্মীসকলৰ সহযোগত আজি পথ সুৰক্ষা সজাগতাৰ বাবে এখন বাটৰ নাট পৰিবেশন কৰে। ৮ জুলাইৰ পৰা হাটশিঙিমাৰী মহাবিদ্যালয়ৰ এন এছ্ এছ্ গোটে পথ সুৰক্ষা সম্পৰ্কীয় বিশেষ শিবিৰৰ আয়োজন কৰিছে। কাইলৈ এই শিবিৰৰ সামৰণি পৰিব। আজি এই নাট প্ৰদৰ্শনৰ সময়ত এন এছ্ এছৰ কাৰ্যবাহী বিষয়া ড° আবুল কৰিম শ্বেখ আৰু যান-বাহন আৰক্ষীৰ ভাৰপ্ৰাপ্ত বিষয়া হেমন্ত কুমাৰ ৰয় উপস্থিত আছিল।

ooooo

লৰ্ডছত চলি থকা এণ্ডাৰ্ছন-টেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলৰ আজি চতুৰ্থ দিনা ঘৰুৱা দল ইংলেণ্ডে দ্বিতীয় ইনিংছত ভোজন বিৰতি পৰলৈকে ৪টা উইকেটৰ বিনিময়ত ৯৮ ৰান সংগ্ৰহ কৰিছে। আজি পতন ঘটা ইংলেণ্ডৰ দুটা উইকেট মহম্মদ ছিৰাজে দখল কৰে। নীতিশ কুমাৰ ৰেড্ডী আৰু আকাশ দীপে এটাকৈ উইকেট দখল কৰে। শেহতীয়া বাতৰি অনুসৰি ঘৰুৱা দলটোৱে  ৪ টা উইকেটৰ বিনিময়ত ১১৯ ৰান সংগ্ৰহ কৰিছে। ইংলেণ্ডৰ হৈ বৰ্তমান বেন ষ্ট'কছে ৯ ৰান আৰু জ' ৰুটে ৩০ ৰান সংগ্ৰহ কৰি খেলি আছে।

ooooo

অসম বেডমিণ্টন সন্থাৰ সম্পাদক ওমৰ ৰছিদক জাপানলৈ যাবলগীয়া ভাৰতীয় বেডমিণ্টন দলৰ প্ৰৱন্ধকৰ দায়িত্ব দিয়া হৈছে।  ভাৰতীয় দলটোৱে কাইলৈৰ পৰা ২০  জুলাইলৈ টকিঅ'ত হ'বলগীয়া জাপান অপেন বেডমিণ্টন প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব। বিশ্ব বেডমিণ্টনৰ স্বীকৃতিপ্ৰাপ্ত ছুপাৰ ছেভেন ফিফটি প্ৰতিযোগিতাখনত অংশ লোৱাৰ বাবে ভাৰতীয় দলটো আজি নিশা নতুন দিল্লীৰ পৰা ৰাওনা হ'ব বুলি সৰ্বাভাৰতীয় বেডমিণ্টন সংস্থাৰ সূত্ৰই প্ৰকাশ কৰিছে।

ooooo

কামৰূপ জিলাৰ দক্ষিণ কামৰূপ ক্ৰীড়া সন্থাৰ তত্বাৱধানত আৰু বকো ক্ৰীড়া সন্থাৰ উদ্যোগত আজি ১৫ বছৰ অনুৰ্ধ আন্তঃজিলা ফুটবল প্ৰতিযোগিতা আৰম্ভ হৈছে। জিলাখনৰ কেইবাটাও দলে এই প্ৰতিযোগিতাত অংশ লৈছে। প্ৰতিযোগিতাৰ খেলসমূহ কামৰূপ জিলাৰ বিভিন্ন স্থানত অনুষ্ঠিত হ'ব। আজি ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ পাৰিষদ সুমিত ৰাভা আৰু সমাজসেৱী মনোৰঞ্জন কলিতাই এই প্ৰতিযোগিতা উদ্বোধন কৰে।

০০০০

সমাপ্ত